2023

ASSAMESE

Paper : ASM-HG/RC-2016

[Asamiya Sahityar Itihas (Arambhanir Para Astadash Shatika Parjyanta)]

(Honours Generic/Regular Course)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থখনৰ লিখক কোন?

(খ) লোকসাহিত্যৰ 'লোক' শব্দটোৱে শাৰীৰিক শ্ৰমজীৱী সাধাৰণ জনগণক বুজায়। কথাষাৰ শুদ্ধনে?

(গ) 'আইনাম' কোন শ্ৰেণীৰ লোকগীত?

(ঘ) এটি আখ্যানগীত বা কাহিনীগীতৰ নাম লিখা।

(ঙ) 'প্ৰহ্লাদচৰিত' কাৰ ৰচনা?

(চ) শংকৰদেৱে কোনজন কবিক 'অপ্ৰমাদী' বুলি কৈছিল?

(ছ) জনশ্রুতি লোকসাহিত্য হয়নে?

(জ) মাধৱদেৱৰ মাকৰ নাম কি?

(ঝ) 'উষা পৰিণয়' কাৰ ৰচনা?

(ঞ) অনন্ত কন্দলীৰ দ্বাৰা ৰচিত এখন নাটৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) পাঁচালী সাহিত্যৰ প্ৰধান ভাগ দুটা কি কি?

(খ) ৰাম সৰস্বতীয়ে ৰচনা কৰা দুখন বধকাব্যৰ নাম লিখা।

(গ) শংকৰোত্তৰ কালৰ সাহিত্যৰ দুটা সাধাৰণ বৈশিষ্ট্য লিখা।

(ঘ) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি? তেওঁৰ গুৰু কোন আছিল?

(ঙ) গোপালচৰণ দ্বিজে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) চৰিতপুথি আৰু বুৰঞ্জীৰ গদ্যৰ পাৰ্থক্যবোৰ লিখা।

(খ) শংকৰোত্তৰ কালৰ ব্যৱহাৰিক অসমীয়া সাহিত্যৰ বিষয়ে লিখা।

(গ) আহোম ৰাজত্বকালৰ শৃংগাৰ ৰসাত্মক সাহিত্যৰ পৰিচয় দিয়া।

(ঘ) ৰঘুনাথ মহন্তৰ সাহিত্যকৃতিৰ পৰিচয় দিয়া।

(ঙ) ৰৰগীতৰ বৈশিষ্ট্যবোৰ লিখা।

(চ) নাট আৰু ঝুমুৰাৰ পাৰ্থক্য লিখা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যৰ শ্ৰেণীবিভাজন কৰি প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ''ফকৰা যোজোনা পটন্তৰবোৰ দহৰ জ্ঞান, একৰ বাণী''— এই মন্তব্যটিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(গ) প্ৰাক্-শংকৰী যুগৰ যি কোনো দুগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ বিষয়ে লিখা।

(ঘ) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি বুলিলে কোনসকল কবিক বুজা যায়? তেওঁলোকৰ যি কোনো এগৰাকীৰ বিষয়ে বিশদভাৱে আলোচনা কৰা।

(ঙ) '''নামঘোষা' মাধৱদেৱৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্ত্তি''—এই উক্তিৰ আধাৰত 'নামঘোষা'ৰ বিষয়ে আলোচনা কৰা।

(চ) ভট্টদেৱৰ গদ্যক আধুনিক অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন-ৰূপে গণ্য কৰা হয়। ভট্টদেৱৰ গদ্যৰ বিশেষত্ববোৰ লিখা।

(ছ) অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(জ) অসমীয়া চৰিতপুথিৰ বিষয়ে এটি নাতিদীঘ নিবন্ধ লিখা।

★ ★ ★

2023

ASSAMESE

Paper : ASM-HC-2016

(ভাষাবিজ্ঞান পৰিচয়)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ প্ৰশ্নৰ উত্তৰ দিয়া : ১×১০=১০

(ক) ভাষাৰ ন্যূনতম উপাদান কি?

(খ) ধ্বনিৰ নিজা অৰ্থ থাকেনে?

(গ) 'Philology' বুজাবলৈ অসমীয়া ভাষাত কি প্ৰতিশব্দ ব্যৱহাৰ কৰা হয়?

(ঘ) ভাষাবিজ্ঞানৰ কোনটো শাখাত বাক্যৰ বিষয়ে আলোচনা কৰা হয়?

(ঙ) ভাষাবিজ্ঞানৰ কোনটো ভাগে ভাষা-পৰিয়ালৰ ধাৰণাৰ আলমত পৃথিৱীৰ ভাষাসমূহৰ সম্পৰ্ক দেখুৱায়?

(চ) কণ্ঠতাৰ বৃত্তি অনুসৰি একেটা ভাষাৰ বেলেগ ৰূপ হ'ব পাৰেনে?

(ছ) 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' নামৰ গ্ৰন্থৰ ৰচক কোন?

(জ) অসমীয়া ভাষাৰ অনুক্ৰম বৰ্ণৰ এটা উদাহৰণ দিয়া।

(ঝ) একেজন মানুহে একেটা ভাষাকে বেলেগ বেলেগ পৰিৱেশত ভিন্ন ধৰণে ব্যৱহাৰ কৰিব পাৰেনে?

(ঞ) 'শব্দানুশাসনম্' নামৰ গ্ৰন্থখন কি নামেৰে বিখ্যাত হৈ পৰে?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ফাৰ্ডিনাণ্ড দ ছ্যছুৰৰ ভাষাবিজ্ঞান-বিষয়ক বিখ্যাত গ্ৰন্থখনৰ নাম কি? এই গ্ৰন্থখন কেতিয়া প্ৰথম প্ৰকাশ হৈছিল?

(খ) গ্ৰীক ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম কি? এই ব্যাকৰণখন কাৰ ৰচনা আছিল?

(গ) অসমীয়া ভাষাত প্ৰয়োগ থকা এবিধ উপাহিত বৰ্ণৰ নাম লিখা। লগতে এই বৰ্ণৰ ব্যৱহাৰ হোৱা এটা শব্দৰ উদাহৰণ দিয়া।

(ঘ) 'ৰগৰ' শব্দটোৰ বৰ্ণকেইটা ভাঙি দেখুওৱা।

(ঙ) ভাষা মানুহে জন্মগতভাৱে শিকি আহেনে? মানৱশিশুৰ ভাষা আহৰণৰ বিষয়ে কোনবিধ ভাষাবিজ্ঞানত আলোচনা কৰা হয়?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাষাতত্ত্বৰ সংজ্ঞা, ইতিহাস, পৰিসৰ আদি সামৰি এটা টোকা লিখা।

(খ) বাগিন্দ্ৰিয় কাক বোলে? বাগিন্দ্ৰিয়বোৰৰ নাম লিখি এখন চিত্ৰৰ সহায়ত দেখুৱাই দিয়া।

(গ) ভেদাত্মক বা বিৰোধমূলক ভাষাবিজ্ঞানৰ পৰিচয় দাঙি ধৰা।

(ঘ) ব্যাকৰণ চৰ্চালৈ পাণিনিৰ অৱদান সম্পৰ্কে এটা টোকা লিখা।

(ঙ) বাক্যতত্ত্বৰ বিষয়ে চমুকৈ লিখা।

(চ) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ মাজৰ পাৰ্থক্যসমূহ দেখুওৱা।

৪। তলৰ প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ভাষাবিজ্ঞানৰ সংজ্ঞা দি ইয়াক 'বিজ্ঞান' বুলি কোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

নাইবা

মানুহৰ ভাষাৰ বিশেষত্বসমূহ আলোচনা কৰা।

(খ) সমাজ ভাষাবিজ্ঞানৰ বিভিন্ন দিশ সামৰি এটা আলোচনা দাঙি ধৰা।

নাইবা

অঞ্চলভেদে কিদৰে ভাষাৰ ভিন্নতাৰ সৃষ্টি হয়? বৰ্তমানৰ অসমীয়া ভাষাৰ উদাহৰণ দি বুজাই লিখা।

(গ) ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু অর্থতত্ত্বৰ সংজ্ঞা দি প্রতিবিধে ভাষাৰ কোনবোৰ দিশ আলোচনা কৰে, লিখা।

নাইবা

অর্থতত্ত্বৰ ধাৰাকেইটা কি কি? ইয়াৰ যি কোনো এটা ধাৰাৰ বিষয়ে লিখা।

(ঘ) প্রাচীন ভাৰতত ব্যাকৰণ চর্চাৰ ইতিহাস দাঙি ধৰা।

নাইবা

ব্যাকৰণ চর্চাৰ ক্ষেত্রত প্রাচীন গ্রীকসকলৰ অৱদানৰ বিষয়ে লিখা।

★ ★ ★

2023

ASSAMESE

Paper : ASM-HC-2026

(Sahitya Samalochana)

(Honours Core)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভৰত মুনিৰ মতে ৰস কেইপ্ৰকাৰৰ?

(খ) ধ্বনিৰ প্ৰাধান্যৰ ভিত্তিত কৰা শ্ৰেণীবিভাগ অনুসৰি কোনবিধ কাব্যক শ্ৰেষ্ঠ কাব্য বোলা হয়?

(গ) বামনৰ মতে ৰীতি কেইপ্ৰকাৰৰ?

(ঘ) প্ৰতীকবাদৰ পথিকৃৎ বুলি কোনজন কবিক কোৱা হয়?

(ঙ) চিত্ৰকল্পবাদৰ প্ৰতিষ্ঠাত মুখ্য ভূমিকা লোৱা এগৰাকী আমেৰিকান কবিৰ নাম উল্লেখ কৰা।

(চ) ট্ৰেজেডিৰ উৎপত্তি কোন দেশত হৈছিল?

(ছ) চেমুৱেল বেকেটে ৰচনা কৰা এখন এবছার্ড নাটকৰ নাম লিখা।

(জ) এপিক থিয়েটাৰৰ প্ৰৱৰ্তক কোন?

(ঝ) 'প্ৰতীতিৰ ঐক্যৰূপ'ক (unity of impression) কোনজন সমালোচকে চুটিগল্পৰ প্ৰাণ বুলি কৈছে?

(ঞ) উপন্যাসৰ চৰিত্ৰক কেইটা ভাগত ভগোৱা হয়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) গৌড়ীয় ৰীতিত কি দুটা গুণৰ প্ৰাধান্য থাকে?

(খ) যি কোনো দুটা স্থায়ীভাৱৰ নাম লিখা।

(গ) ট্ৰেজেডিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) এবছার্ড নাট্যধাৰাৰ প্ৰভাৱ থকা দুখন অসমীয়া নাটকৰ নাম উল্লেখ কৰা।

(ঙ) উপন্যাসৰ কাহিনী উপস্থাপনৰ ঘাঁই পদ্ধতি দুটা কি কি?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ককণ অথবা শৃংগাৰ ৰসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ট্ৰেজেডিৰ নায়কৰ বৈশিষ্ট্যৰাজি কেনেধৰণৰ, আলোচনা কৰা।

(গ) এবছার্ড নাটকৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(ঘ) ব্ৰেখ্‌টে এপিক থিয়েটাৰক কিয় মাৰ্ক্সীয় থিয়েটাৰ বুলি কৈছিল, আলোচনা কৰা।

(ঙ) চুটিগল্পৰ বিষয়বস্তু কেনে হ'ব লাগে—এই সম্পৰ্কে বিভিন্ন সমালোচকৰ মন্তব্যৰ আধাৰত আলোচনা কৰা।

(চ) উপন্যাসৰ চক্ৰাকাৰ চৰিত্ৰ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ৰস নিষ্পত্তি কিদৰে হয়, আলোচনা কৰা। ১০

(খ) শব্দশক্তি কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰ বিষয়ে চমুকৈ লিখা। ১+৩+৬=১০

(গ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনি বুলিলে কি বুজা যায়? ধ্বনিতত্ত্বৰ প্ৰৱৰ্তক কোন? ধ্বনিকাব্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ৩+১+৬=১০

(ঘ) প্ৰতীকবাদ সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা। ১০

(ঙ) কবিতাত চিত্ৰকল্প বুলিলে কি বুজা যায়? অসমীয়া কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা। ১০

(চ) ব্ৰেখ্‌টে কি লক্ষ্য আৰু উদ্দেশ্যৰে এপিক থিয়েটাৰ সৃষ্টি কৰিছিল? এপিক থিয়েটাৰৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ৪+৬=১০

(ছ) চুটিগল্পৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰি এটি চমু নিবন্ধ লিখা। ১০

(জ) ''গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনী স্থূল দৃষ্টিত দুবিধ।'' এই দুবিধ কাহিনী কি কি? এখন উপন্যাসৰ কাহিনীৰ আলমত যি কোনো এবিধৰ বিষয়ে আলোচনা কৰা। ১০

★ ★ ★

2023

ASSAMESE

(Modern Indian Language)

(Compulsory Course)

Paper : ASM–CC–4016

(Adhunik Asamiya Sahitya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ দিয়া : ১×১০=১০

(ক) কবি হীৰেন ভট্টাচার্য ৰচিত এখন কবিতাপুথিৰ নাম লিখা।

(খ) কবি ৰাম গগৈৰ প্রথম কবিতাপুথিখনিৰ নাম কি ?

(গ) 'শব্দার্থৌ সহিতৌ কাব্যম্' বুলি কোনে কবিতাৰ সংজ্ঞা দাঙি ধৰিছিল ?

(ঘ) গল্পকাৰ সৌৰভ কুমাৰ চলিহাৰ প্রকৃত নাম কি ?

(ঙ) ড০ ভবেন্দ্র নাথ শইকীয়াৰ যি কোনো এখন উপন্যাসৰ নাম লিখা।

(চ) 'আৱাহন' আলোচনীৰ পৃষ্ঠপোষকজনৰ নাম কি ?

(ছ) 'মণিৰাম দেৱানৰ ফাঁচি' শীর্ষক প্রবন্ধটি লেখকৰ কোনখন গ্রন্থৰ অন্তর্গত ?

(জ) ডিম্বেশ্বৰ নেওগ ৰচিত একমাত্ৰ উপন্যাসখনৰ নাম লিখা।

(ঝ) জ্যোতিপ্ৰসাদৰ দ্বিতীয় কথাছবিখনৰ নাম লিখা।

(ঞ) 'লভিতা' নাটকৰ মুখ্য চৰিত্ৰ লভিতাৰ পিতৃৰ নাম কি?

২। অতি চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) ড০ নিৰ্মলপ্ৰভা ৰৱদলৈ ৰচিত দুখন কবিতাপুথিৰ নাম লিখা।

(খ) সৌৰভ কুমাৰ চলিহাৰ দুখন গল্পপুথিৰ নাম লিখা।

(গ) অৰূপা পটঙ্গীয়া কলিতাৰ ইংৰাজীলৈ অনূদিত হোৱা এখন উপন্যাস আৰু এখন চুটিগল্পসংকলনৰ নাম লিখা।

(ঘ) বেণুধৰ শৰ্মাই কলিকতাত পঢ়ি থাকোঁতে অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থখনৰ নাম উল্লেখ কৰাৰ লগতে তেওঁ সাহিত্য সভাৰ কোনখন অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল, উল্লেখ কৰা।

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা যি কোনো দুখন নাটকৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) আধুনিক অসমীয়া কবিতাৰ উত্তৰণত 'জয়ন্তী' আলোচনীৰ ভূমিকা সম্বন্ধে লিখা।

(খ) 'মৰ্মান্তিক' কবিতাটিৰ বিষয়বস্তু সম্বন্ধে এটি চমু আলোচনা লিখা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত 'ৰামধেনু' আলোচনীৰ ভূমিকা সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(ঘ) ভবেন্দ্ৰ নাথ শইকীয়াৰ 'ৰানপ্ৰস্থ' গল্পটোৰ কাহিনীভাগৰ বিশেষত্ব আলোচনা কৰা।

(ঙ) বেণুধৰ শৰ্মাৰ সাহিত্যকৃতি সম্বন্ধে এটি পৰিচয় আগবঢ়োৱা।

(চ) 'লভিতা' নাটকৰ ইলাহী বক্স নামৰ চৰিত্ৰটিৰ বিষয়ে আলোচনা কৰা।

৪। উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) আধুনিক কবিতাৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰি 'পথাৰ' কবিতাত এই বৈশিষ্ট্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(খ) কবি হীৰেন ভট্টাচাৰ্যৰ জীৱন আৰু কাব্যিক প্ৰতিভা সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(গ) 'ৰীণা কুটিৰ' নামৰ গল্পত নগৰকেন্দ্ৰিক জীৱনক বিষয়বস্তু হিচাপে লৈ গল্পকাৰে চৰিত্ৰসমূহৰ মনোজগতৰ আভাস কিদৰে দাঙি ধৰিছে, আলোচনা কৰা।

(ঘ) অৰূপা পটঙ্গীয়া কলিতাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি সেই বৈশিষ্ট্য 'দেওপাহাৰৰ ভগ্নস্তূপ' গল্পত কিদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(ঙ) মণিৰাম দেৱানক কিয় অসমৰ প্ৰথম স্বাধীনতা যুদ্ধৰ ঘাই মস্তিষ্ক বুলি কোৱা হয় সেই কথাৰ উল্লেখ কৰি তেওঁৰ ফাঁচিৰ বিৱৰণ বিতংভাৱে দাঙি ধৰা।

(চ) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰি 'বনঘোষা-বনৰীয়া গীত'ৰ বিষয়বস্তু আলোচনা কৰা।

(ছ) জ্যোতিপ্রসাদ আগৰৱালাৰ নাট্য-প্রতিভা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(জ) 'লভিতা' নাটকৰ মূল বিষয়বস্তুৰ মাজেৰে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ চিত্র কিদৰে প্রকাশিত হৈছে, আলোচনা কৰা।

★★★

2023

ASSAMESE

(Honours Generic/Regular Course)

Paper : ASM HG/RC–4016

(Adhunik Asomiya Giti Sahitya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) লক্ষ্মীৰাম বৰুৱাই ৰচনা কৰা এখন গীতৰ পুথিৰ নাম উল্লেখ কৰা।

(খ) বনগীতৰ স্ৰষ্টা কোন ?

(গ) 'নিশ্চয় নিশ্চয় মই কওঁ আটাহ পাৰি'—গীতফাকিত উল্লিখিত 'আটাহ' শব্দৰ অৰ্থ লিখা।

(ঘ) তোমাৰ পাঠ্যৰ অন্তৰ্গত কোনগৰাকী গীতিকাৰক 'গীতিকবি' বোলা হয় ?

(ঙ) 'মোৰ গানত জ্বলে' শীৰ্ষক গীতত জ্যোতিপ্ৰসাদে কাক সাৱধান বাণী শুনাইছে ?

(চ) 'অ অসমীয়া ডেকা দল' গীততে উল্লিখিত যি কোনো এখন গ্রন্থৰ নাম লিখা।

(ছ) কেশৱ মহন্তই কোনখন গীতৰ পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল ?

(জ) নৱকান্ত বৰুৱাৰ একমাত্ৰ গীতৰ সংকলনখনৰ নাম কি ?

(ঝ) 'সন্ধিয়াৰ আকাশত' শীৰ্ষক গীতটোত গীতিকাৰক কোনে বিঙিয়াই মাতে ?

(ঞ) 'মোৰ গীত' নামৰ গীতৰ সংকলনটিৰ ৰচক কোন ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) আধুনিক অসমীয়া গীত সম্পৰ্কে লিখা প্ৰথমখন গ্ৰন্থৰ নাম উল্লেখ কৰা। গ্ৰন্থখনৰ ৰচক কোন ?

(খ) পাৰ্বতীপ্ৰসাদ বৰুৱাৰ গীতত কোনগৰাকী বঙালী কবিৰ প্ৰভাৱ বিদ্যমান ? তেওঁৰ 'পূজো আহা আই মাতৃ' শীৰ্ষক গীতটোত কাক 'দুখিত আতুৰ' বোলা হৈছে ?

(গ) 'লুইত কোঁৱৰ' বুলিলে কোনগৰাকী গীতিকাৰক বুজা যায় ? তেওঁৰ এখন গীতৰ সংকলনৰ নাম উল্লেখ কৰা।

(ঘ) তফজ্জুল আলিয়ে সংগীত পৰিচালনা কৰা দুখন অসমীয়া চলচ্চিত্ৰৰ নাম লিখা।

(ঙ) নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমীয়া বোলছবিৰ বাবে ৰচনা কৰা দুটি গীতৰ শীৰ্ষ শাৰী উল্লেখ কৰা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ''গীতিসাহিত্য আমাৰ আধুনিক সাহিত্যৰ এটি অৱহেলিত আৰু দুৰ্বল অংগ।'' কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(খ) 'হেৰা আমাৰ জন্মভূমি' শীৰ্ষক গীতত কিদৰে স্বদেশপ্ৰীতিৰ সঞ্চাৰ ঘটিছে, দেখুওৱা।

(গ) 'হঞৰা জেতুকী বাই' গীতটোত জেতুকী বাইৰ চৰিত্ৰটোৱে সমাজৰ কোনটো শ্ৰেণীক, কিদৰে প্ৰতিনিধিত্ব কৰিছে, আলোচনা কৰা।

(ঘ) 'নিয়ৰৰে ফুল' গীতত গীতিকাৰৰ ব্যক্তিগত জীৱনৰ কাৰুণ্য কিদৰে প্ৰকাশিত হৈছে, বিশ্লেষণ কৰা।

(ঙ) 'হে দোলা' শীৰ্ষক গীতত সমাজৰ নিঃস্ব শ্ৰেণীৰ দুৰ্দশাৰ চিত্ৰখন কি ধৰণে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(চ) 'মাহ হালধিৰে' গীতৰ বিষয়বস্তুৰ আভাস দিয়া।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ''১৯৪৮ চনত আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰ (শিলং–গুৱাহাটী) স্থাপন হোৱাৰে পৰা অসমীয়া সংগীত আৰু গীতিসাহিত্যৰ এটা নতুন স্তৰ আৰম্ভ হোৱা বুলি ক'ব পাৰি।'' কথাষাৰ বিশ্লেষণ কৰা।

(খ) আধুনিক অসমীয়া গীতিসাহিত্যলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ যুগান্তকাৰী অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(গ) বিষ্ণুপ্রসাদ ৰাভাৰ গীতৰ বিভিন্ন বিষয়বস্তু সম্পৰ্কে এক পৰ্যালোচনা আগবঢ়োৱা।

(ঘ) 'কাউৰী পৰে' গীতত গ্ৰামীণ লোকসমাজৰ সৰলতা কিদৰে প্ৰকট হৈছে, আলোচনা কৰা।

(ঙ) তফজ্জুল আলিৰ 'বহুদিন বকুলৰ' শীৰ্ষক গীতটোৰ ভাববস্তু বিশ্লেষণ কৰা।

(চ) 'সন্ধিয়াৰ আকাশত' গীতত নাৰী মনৰ কাৰুণ্য কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ছ) 'তোমাৰ বাবেই' শীৰ্ষক গীতত প্ৰকাশিত ৰোমাণ্টিক চেতনাৰ বিষয়ে বিৱৰি লিখা।

(জ) কেশৱ মহন্ত, নৱকান্ত বৰুৱা আৰু নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ কাব্যিক আবেদন সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

★ ★ ★

2023

ASSAMESE

(Skill Enhancement Course)

Paper : ASM–SE–4014

Full Marks : 50

Time : 2 hours

The figures in the margin indicate full marks for the questions

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়া : ১×৪=৪

(ক) কল্পনাৰ ইংৰাজী প্ৰতিশব্দ Imagination। এই Imagination শব্দটো কি শব্দৰ পৰা বিকাশ হৈছে ?

(খ) "Poetry is a musical thought" বুলি কোনে কৈছিল ?

(গ) 'সৃজনশীলতা'ৰ ইংৰাজী প্ৰতিশব্দটো কি ?

(ঘ) Surrealism বা অধিবাস্তৱবাদৰ অৰ্থ কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৩=৬

(ক) গল্পৰ প্ৰাচীন ৰূপ কি? ই কোন শতিকাত গল্পৰ ৰূপ লয়?

(খ) চুটিগল্পৰ দুটা সংজ্ঞা উল্লেখ কৰা।

(গ) কাব্য সৃষ্টি সম্বন্ধে আচাৰ্য ভামহে কোৱা সংজ্ঞাটি দাঙি ধৰা।

৩। চমু টোকা লিখা (যি কোনো **দুটা**) : ৫×২=১০

(ক) কল্পনা শক্তিৰ গুণ

(খ) আধুনিক কবিতাৰ ভাষা

(গ) কবিতাত অনুভূতিৰ স্থান

(ঘ) গল্পত কাহিনীৰ প্ৰয়োজনীয়তা

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সৃজনীমূলক সাহিত্য বুলিলে কি বুজা? এই সাহিত্য ৰচনাৰ যোগ্যতাসমূহ কি কি, আলোচনা কৰা।

(খ) কল্পনাৰ এটি সংজ্ঞা দাঙি ধৰা। এই কল্পনাক কেইটা ভাগত ভাগ কৰা হৈছে উল্লেখ কৰি প্ৰত্যেক ভাগৰ আলোচনা দাঙি ধৰা।

(গ) আধুনিক কবিতাৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(ঘ) আধুনিক কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(ঙ) গল্পৰ সংজ্ঞা দাঙি ধৰি গল্প ৰচনাৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(চ) গল্পৰ সৈতে সাধুকথাৰ সম্পৰ্ক কি? গল্পৰ উত্তৰণৰ ক্ষেত্ৰত সাধুকথাৰ সম্পৰ্ক ব্যাখ্যা কৰি এটি আলোচনা লিখি উলিওৱা।

★★★

2023

ASSAMESE

(Honours Core)

Paper : ASM–HC–4016

(Tulanamulak Bharatiya Sahitya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনগৰাকী ব্যক্তিক তুলনামূলক সাহিত্যৰ বাটকটীয়া বুলি কোৱা হয় ?

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ (school) নাম লিখা।

(গ) 'Indian Progressive Writers' Association' কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল ?

(ঘ) প্ৰজ্বলিত চিতাৰ নীলা ৰঙৰ ধোঁৱাৰ মাজত কাঙালীৰ মাকে কিহৰ ছবি দেখিবলৈ পাইছিল ?

(ঙ) গজাধৰ বাবুই বেল বিভাগত কিমান বছৰ চাকৰি কৰিছিল ?

(চ) 'গান্ধী' গল্পটোত গান্ধীয়ে নিজৰ মৃত্যুৰ পাছত ক'ত কৰব লিখলৈ কৈছিল ?

(ছ) নির্মলাৰ বিয়া প্ৰথমে কাৰ লগত ঠিক হৈছিল ?

(জ) তোতাৰামৰ প্ৰথম পক্ষৰ ডাঙৰ পুত্ৰ মনসাৰামৰ কি ৰোগত মৃত্যু হৈছিল ?

(ঝ) অপুৰ মাকৰ নাম কি ?

(ঞ) বিভূতিভূষণ বন্দ্যোপাধ্যায়ৰ 'পথৰ পাঁচালী' উপন্যাসৰ আধাৰত কোনজন বঙালী চিত্ৰ পৰিচালকে একে নামেৰে এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনগৰাকী ব্যক্তিয়ে প্ৰথমে বিশ্বসাহিত্যৰ ধাৰণা ব্যক্ত কৰিছিল ? বিশ্বসাহিত্য বুজাবলৈ তেওঁ কোনটো শব্দ ব্যৱহাৰ কৰিছিল ?

(খ) কাৰ প্ৰচেষ্টাত, কোন চনত কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষাবিভাগ প্ৰতিষ্ঠা কৰা হৈছিল ?

(গ) গজাধৰ বাবুৰ কন্যা বাসন্তী কি কথাত পিতৃৰ ওপৰত ক্ষুণ্ণ হৈছিল ?

(ঘ) অপুৰ সৰু টিনৰ বাকচটোত খেলৰ কি কি সামগ্ৰী আছিল ?

(ঙ) উদয়ভানু লালে মাজঘাটি নৈৰ পাৰলৈ কিয় ওলাই গৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰতীয় সাহিত্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ বিষয়ে বিৱৰি লিখা।

(গ) অভাগীক সৎকাৰ কৰাৰ উদ্দেশ্যে গোডালৰ গছজোপা কাটিবলৈ যাওঁতে কি পৰিস্থিতিৰ সৃষ্টি হৈছিল, বুজাই লিখা।

(ঘ) গান্ধীয়ে কেনেদৰে গাঁৱৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত উপস্থিত হৈ ডাক্তৰক দেখুৱাবলগীয়া হৈছিল, বৰ্ণনা কৰা।

(ঙ) চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পাছত গজাধৰ বাবুই স্বাস্থ্যত কেনে অভিজ্ঞতা লাভ কৰিছিল, বিৱৰি লিখা।

(চ) 'নির্মলা' উপন্যাসত তথাকথিত শিক্ষিত সমাজৰ প্ৰতিনিধিৰূপে ভালচন্দ্ৰৰ চৰিত্ৰটো কিদৰে অংকন কৰা হৈছে, লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্যৰ উৎপত্তি ক'ত হৈছিল আৰু বিষয়টোৰে কেনেদৰে বিকাশ লাভ কৰিছিল, আলোচনা কৰা।

(খ) 'অভাগীৰ স্বৰ্গ' গল্পটোৰ মাজেৰে সামাজিক অসমতাৰ ছবি কিদৰে প্ৰতিফলিত হৈছে, দেখুওৱা।

(গ) প্রজন্মৰ ব্যৱধানে আনি দিয়া মানসিক নিঃসংগতা 'ৰাপচী' গল্পটোত কোনটো চৰিত্ৰৰ মাজেৰে, কেনেদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ঘ) 'গান্ধী' নামটোৱে কিদৰে প্ৰতীকাত্মক ৰূপত সামাজিক তাৎপৰ্য বহন কৰিছে, আলোচনা কৰা।

(ঙ) 'নিৰ্মলা' উপন্যাসত তদানীন্তন সমাজজীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, দেখুওৱা।

(চ) নিৰ্মলা চৰিত্ৰটোৰ মাজেৰে জীৱনৰ কাৰুণ্য কিদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ছ) 'পথেৰ পাঁচালী' উপন্যাসখন কেইটা আৰু কি কি পৰ্বত বিভক্ত ? প্ৰতিটো পৰ্বৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(জ) সৰ্বজয়া আৰু ইন্দিৰ ঠাকৰুণ—এই দুটা চৰিত্ৰৰ যোগেদি জীৱন সংগ্ৰামৰ কঠোৰতা কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

★★★

2023

ASSAMESE

(Skill Enhancement Course)

Paper : ASM–SE–4014

Full Marks : 50

Time : 2 hours

The figures in the margin indicate full marks for the questions

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়া : ১×৪=৪

(ক) কল্পনাৰ ইংৰাজী প্ৰতিশব্দ Imagination। এই Imagination শব্দটো কি শব্দৰ পৰা বিকাশ হৈছে ?

(খ) "Poetry is a musical thought" বুলি কোনে কৈছিল ?

(গ) 'সৃজনশীলতা'ৰ ইংৰাজী প্ৰতিশব্দটো কি ?

(ঘ) Surrealism বা অধিবাস্তৱবাদৰ অৰ্থ কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৩=৬

(ক) গল্পৰ প্ৰাচীন ৰূপ কি? ই কোন শতিকাত গল্পৰ ৰূপ লয়?

(খ) চুটিগল্পৰ দুটা সংজ্ঞা উল্লেখ কৰা।

(গ) কাব্য সৃষ্টি সম্বন্ধে আচাৰ্য ভামহে কোৱা সংজ্ঞাটি দাঙি ধৰা।

৩। চমু টোকা লিখা (যি কোনো **দুটা**) : ৫×২=১০

(ক) কল্পনা শক্তিৰ গুণ

(খ) আধুনিক কবিতাৰ ভাষা

(গ) কবিতাত অনুভূতিৰ স্থান

(ঘ) গল্পত কাহিনীৰ প্ৰয়োজনীয়তা

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) সৃজনীমূলক সাহিত্য বুলিলে কি বুজা? এই সাহিত্য ৰচনাৰ যোগ্যতাসমূহ কি কি, আলোচনা কৰা।

(খ) কল্পনাৰ এটি সংজ্ঞা দাঙি ধৰা। এই কল্পনাক কেইটা ভাগত ভাগ কৰা হৈছে উল্লেখ কৰি প্ৰত্যেক ভাগৰ আলোচনা দাঙি ধৰা।

(গ) আধুনিক কবিতাৰ সংজ্ঞা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(ঘ) আধুনিক কবিতাত প্ৰতীক আৰু চিত্ৰকল্পৰ ব্যৱহাৰ সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(ঙ) গল্পৰ সংজ্ঞা দাঙি ধৰি গল্প ৰচনাৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(চ) গল্পৰ সৈতে সাধুকথাৰ সম্পৰ্ক কি? গল্পৰ উত্তৰণৰ ক্ষেত্ৰত সাধুকথাৰ সম্পৰ্ক ব্যাখ্যা কৰি এটি আলোচনা লিখি উলিওৱা।

★★★

2023

ASSAMESE

(Honours Core)

Paper : ASM–HC–4036

(Asomiya Gadyya Sahitya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত উল্লেখ থকা 'লীলাৱতী' কোন ?

(খ) ''মাধৱদেৱে ৰচনা কৰা নাটকক অংকীয়া নাটক বুলি কোৱা হয়।'' কথাষাৰ সঁচানে ?

(গ) 'অর্জুন ভঞ্জন' নাটৰ 'অর্জুন' কি ?

(ঘ) ভট্টদেৱে ক'ত সত্ৰ পাতিছিল ?

(ঙ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠত প্ৰথম গুৰু বুলি কাক কোৱা হৈছে ?

(চ) 'শক্ৰঞ্জয় কাব্য'ৰ ৰচক কোন ?

(ছ) মাধৱদেৱৰ ভনী জোঁৱায়েকৰ নাম কি আছিল ?

(জ) অসমত কোনে প্ৰথমতে বুৰঞ্জী লিখা প্ৰথা আৰম্ভ কৰিছিল ?

(ঝ) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল ?

(ঞ) চামধৰা গড়ৰ ৰণজয়ৰ ফলি মূলতঃ কেইখন ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ''সতিনীৰ চেড়িতো অধিক ভৈলি''—কথাষাৰ কোনে, কাক কৈছিল ?

(গ) মাজুলীৰ ধুৱাহাট বেলগুৰিত মণিকাঞ্চন সংযোগ ঘটা মহাপুৰুষ দুগৰাকী কোন কোন ?

(ঘ) সূর্যকুমাৰ ভূঞাই সম্পাদনা কৰা যি কোনো দুখন বুৰঞ্জী-পুথিৰ নাম লিখা।

(ঙ) চন্দ্রকান্ত সিংহই বদনচন্দ্র বৰফুকনলৈ লিখা চিঠিখনৰ মূল উদ্দেশ্য কি আছিল ?

৩। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) 'ৰুক্মিণী হৰণ' নাটকৰ ৰুক্মিণীৰ প্রেমপত্রখনৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখা।

(খ) বায়ুকৰতী মন্ত্রৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) 'কথাগীতা'ৰ প্রথম অধ্যায়টোক 'বিষাদ যোগ' বোলাৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(ঘ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা ? শংকৰোত্তৰ যুগৰ যি কোনো দুখন ব্যৱহাৰিক সাহিত্য পুথিৰ নাম লিখা।

(ঙ) অসমীয়া লিপিৰ যুগবিভাজন কেনেদৰে কৰা হৈছে, চমুকৈ লিখা।

(চ) কি কি কাৰণত 'নন্দ যশোদাৰ কলহ' হৈছিল, ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱ আৰু মাধৱদেৱৰ নাটবীতিৰ সামগ্রিক দিশ বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা।

(খ) 'কথাগীতা'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পর্কে এটি সামগ্রিক আলোচনা আগবঢ়োৱা।

(গ) 'গুৰু-সেৱা-মাহাত্ম্য' পাঠৰ আধাৰত গুৰুৰ সংজ্ঞা দি গুৰুৰ লক্ষণ আৰু গুৰু সেৱাৰ মহিমাৰ বিষয়ে লিখা।

(ঘ) 'ৰামৰ বন গমন' পাঠটোৰ লেখক কোন ? পাঠটোৰ আধাৰত কুঁজী আৰু কৈকেয়ী চৰিত্র দুটিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(ঙ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটোত উল্লেখ থকা গুৰু আৰু শিষ্য কোন কোন ? দুয়োগৰাকীৰে ব্যক্তিত্ব সম্পর্কে পাঠৰ আধাৰত এটি আলোচনা যুগুত কৰা।

(চ) 'অসমৰ ৰণোদ্যম' পাঠটিৰ মূল কথাখিনি নিজৰ ভাষাৰে লিখি উলিওৱা।

(ছ) 'হস্তিবিদ্যার্ণৱ' কি বিষয়ৰ পুথি? পুথিখনৰ কথাবস্তুৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা।

(জ) 'বদনচন্দ্ৰ ৰৰফুকনলৈ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ গোপনীয় পত্ৰ'ৰ গদ্যৰীতিৰ সামগ্ৰিক দিশ প্ৰতিফলন হোৱাকৈ এটি নিৱন্ধ যুগুত কৰা।

★★★

2023

ASSAMESE

(Honours Core)

Paper : ASM–HC–4026

(অসমীয়া ভাষাৰ সমাহৰণ : আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলে ভূমিদান সম্পৰ্কীয় ফলিবোৰ কি ভাষাত ৰচনা কৰোৱাইছিল ?

(খ) কোনগৰাকী প্ৰাচ্যতত্ত্ববিদ পণ্ডিতে ভাৰত-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(গ) ভাৰতৰ একেবাৰে পূব অঞ্চলত প্ৰচলিত নব্য ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(ঘ) গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূব দিশত কেইটা দিশেৰে বিয়পি পৰিছিল ?

(ঙ) সংস্কৃত শিশ্ ধ্বনি তিনিটাৰ ভিতৰত কোনটো ধ্বনিৰ ব্যৱহাৰ মাগধী-প্ৰাকৃতত আছে ?

(চ) 'অপভ্রংশ' শব্দটোৰ সৰ্বপ্ৰথম উল্লেখ ক'ত পোৱা যায় ?

(ছ) চীন-তিব্বতীয় ভাষাগোষ্ঠীক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰা হৈছে ?

(জ) অৰুণাচলত প্ৰচলিত সংযোগী ভাষাটো কি নামেৰে জনা যায় ?

(ঝ) অসমীয়া ভাষাত সম্বন্ধবাচক শব্দৰ পিছত বিভিন্ন পুৰুষ অনুযায়ী ব্যৱহাৰ হোৱা ৰূপবোৰত কি ভাষাৰ প্ৰভাৱ আছে বুলি ড০ বাণীকান্ত কাকতিয়ে কৈছে ?

(ঞ) বিৰিঞ্চি কুমাৰ বৰুৱাই ওৰ, পুৰ, কুট আদি নগৰ নিৰ্দেশক শব্দবোৰ কোনটো ভাষা-পৰিয়ালৰ পৰা অসমীয়া ভাষালৈ আহিছে বুলি অনুমান কৰিছে ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) হিউৱেন চাঙ কোন শতিকাত আৰু কোনগৰাকী ৰজাৰ দিনত প্ৰাচীন কামৰূপলৈ আহিছিল ?

(খ) 'চৰ্যাপদ'ৰ বাহিৰেও কোন দুখন পুথিত উত্তৰকালীন অসমীয়া ভাষাৰ নিদৰ্শন পোৱা যায় বুলি পণ্ডিতসকলে মত পোষণ কৰে ?

(গ) মধ্যভাৰতীয় আৰ্যভাষাৰ বিকাশৰ শেষ স্তৰ দুটা কি কি ?

(ঘ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰাত বিশেষ অৱদান আগবঢ়োৱা আৰ্য-ভিন্ন পৰিয়ালৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(ঙ) চলতি অসমীয়া ভাষাত বহুলভাৱে প্ৰচলিত যি কোনো দুটা শব্দ উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) 'চৰ্যাপদ'ৰ লগত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক সাদৃশ্য

(খ) অসমীয়া ভাষাত মাগধী-প্ৰাকৃতৰ উপাদান

(গ) অসমীয়া আৰু বাংলা ভাষাৰ সম্বন্ধবাচক শব্দ

(ঘ) নব্য ভাৰতীয় আৰ্যভাষা

(ঙ) অসমত বাস কৰা আৰ্য-ভিন্ন ভাষাৰ পৰিচয়

(চ) সাম্প্ৰতিক অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষাৰ পৰসৰ্গৰ প্ৰভাৱ

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজন কেতিয়া হৈছিল বুলি অনুমান কৰা হয় ? অসমীয়া ভাষা সম্প্ৰদায়ৰ গঠনত আৰ্যসকলৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(খ) ''অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশৰ ভিন্ন ভিন্ন স্তৰত বিভিন্ন প্ৰাকৃতৰ সংমিশ্ৰণ ঘটিছে।'' উক্ত মন্তব্যটি বিশ্লেষণ কৰা।

(গ) মাগধীয় ভাষাৰ ভিতৰত কি কি ভাষাক সামৰি লোৱা হয় ? অসমীয়া ভাষাৰ লগত অন্যান্য কি কি মাগধীয় ভাষাৰ সম্পৰ্ক আছে, বুজাই লিখা।

(ঘ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্রংশৰ বিকাশ কেনেদৰে হৈছিল ? নিদৰ্শনসহ আলোচনা কৰা।

(ঙ) অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ নাম উল্লেখ কৰি সিবোৰৰ যি কোনো এটিৰ ভাষাতাত্ত্বিক পৰিচয় দাঙি ধৰা।

(চ) অষ্ট্রিক ভাষা-পৰিয়ালৰ চমু পৰিচয়সহ এই পৰিয়ালৰ ভাষাৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ছ) সাম্প্রতিক অসমীয়া ভাষাত নির্দেশাত্মক প্রত্যয় আৰু স্বার্থিক প্রত্যয়ৰ প্রয়োগ সম্পর্কে উদাহৰণসহ আলোচনা কৰা।

(জ) অসমীয়া ভাষাৰ শব্দমালাত আর্য-ভিন্ন ভাষাৰ প্রভাৱ সম্পর্কে বহলাই আলোচনা কৰা।

★★★